**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 08-06-2024
**Time :** 18-45 Hrs

***Assamese Evening Bulletin***
**:::::::::::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰ কাৰ্যকৰী প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক নতুন চৰকাৰ গঠনৰ বাবে আমন্ত্ৰণ। এন ডি এ মিত্ৰজোঁটৰ পৰা নৰেন্দ্ৰ মোদীক প্ৰধানমন্ত্ৰী পদৰ বাবে মনোনয়ন।

২। কাইলৈ ৰাষ্ট্ৰপতি ভৱনত শপতগ্ৰহণ অনুষ্ঠানৰ আয়োজন। ৭খন ৰাষ্ট্ৰ শীৰ্ষ স্থানীয় নেতাৰ শপতগ্ৰহণ অনুষ্ঠানত উপস্থিতিৰ সম্ভাৱনা। বাংলাদেশৰ প্ৰধানমন্ত্ৰী এই উপলক্ষে নতুন দিল্লীত উপস্থিত।

৩। কংগ্ৰেছ দলৰ কাৰ্যকৰী সমিতিৰ গুৰুত্বপূৰ্ণ বৈঠকত ৰাহুল গান্ধীক বিৰোধী দলৰ নেতা হিচাপে সৰ্বসন্মতিক্ৰমে বাছনি।

৪। মাদক দ্ৰব্য বিৰোধী অভিযানত অসম আৰক্ষীৰ বৃহৎ সাফল্য। ৰাজ্যৰ বিভিন্ন ঠাইত মাদক দ্ৰব্য জব্দ।
***আৰু***

৫। টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত আজি অষ্ট্ৰেলিয়া ইংলেণ্ডৰ বিৰুদ্ধে আৰু নেডাৰলেণ্ডছ দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ। কাইলৈ ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত ভাৰত পাকিস্তানৰ মুখামুখি।

০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে কাৰ্যকৰী প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক কেন্দ্ৰত এখন নতুন চৰকাৰ গঠনৰ বাবে আমন্ত্ৰণ জনাইছে। ৰাষ্ট্ৰপতি ভৱনত কাইলৈ সন্ধিয়া ৭ বাজি ১৫ মিনিটত প্ৰধানমন্ত্ৰী তথা নতুন চৰকাৰৰ শপতগ্ৰহণ অনুষ্ঠানৰ আয়োজন কৰা হৈছে।

এন ডি এ মিত্ৰজোঁটৰ পৰা প্ৰধানমন্ত্ৰী পদৰ বাবে মনোনীত হোৱাৰ পাছত নৰেন্দ্ৰ মোদীয়ে কালি সন্ধিয়া ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুক সাক্ষাৎ কৰে আৰু চৰকাৰ গঠনৰ দাবী উত্থাপন কৰে। ইয়াৰ পূৰ্বে বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি জে পি নাড্ডাৰ নেতৃত্বত এন ডি এ-ৰ এটা প্ৰতিনিধি দলেও ৰাষ্ট্ৰপতিক সাক্ষাৎ কৰে আৰু নৰেন্দ্ৰ মোদীক বিজেপি সংসদীয় দলৰ নেতা হিচাপে বাছনি কৰা বুলি উল্লেখ কৰি এখন পত্ৰ প্ৰদান কৰে। এন ডি এৰ অংশীদাৰ দলসমূহৰ সমৰ্থনৰ পত্ৰও ৰাষ্ট্ৰপতিৰ ওচৰত অৰ্পণ কৰা হয়।

ৰাষ্ট্ৰপতিক সাক্ষাতৰ পাছত ৰাষ্ট্ৰপতি ভৱনৰ বাহিৰত শ্ৰীমোদীয়ে কয় যে, এন ডি এই এখন শক্তিশালী, সুস্থিৰ আৰু বিকাশমুখী চৰকাৰ গঠন কৰিব। শ্ৰীমোদীয়ে লগতে ৰাষ্ট্ৰপতিয়ে তেওঁক কাৰ্যবাহী প্ৰধানমন্ত্ৰী হিচাপে মনোনীত কৰিছে বুলি অৱগত কৰে। ইতিমধ্যে ৰাষ্ট্ৰপতি ভৱনৰ তৰফৰ পৰা ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে সংবিধানৰ ৭৫ (১) অনুচ্ছেদৰ অধীনৰ ক্ষমতা প্ৰয়োগ কৰি শ্ৰীমোদীক ভাৰতৰ প্ৰধানমন্ত্ৰী পদত নিযুক্তি দিছে বুলি সামাজিক মাধ্যমযোগে অৱগত কৰিছে।

উল্লেখযোগ্য প্ৰধানমন্ত্ৰী আৰু মন্ত্ৰী পৰিষদৰ শপতগ্ৰহণ অনুষ্ঠানত অংশ লোৱাৰ বাবে শ্ৰীলংকাৰ ৰাষ্ট্ৰপতি ৰণিল উইক্ৰেমাসিংঘে, মালদ্বীপৰ ৰাষ্ট্ৰপতি ড০ মহম্মদ মুইজ্জু, চিচিলিচৰ উপ-ৰাষ্ট্ৰপতি আহমেদ

আফিফ, মৰিচাছৰ প্ৰধানমন্ত্ৰী প্ৰবীণ্ড কুমাৰ যুগনাথ, নেপালৰ প্ৰধানমন্ত্ৰী পুষ্প কমল দাহাল আৰু ভূটানৰ প্ৰধানমন্ত্ৰী চেৰিং তব্‌গেই ৰাষ্ট্ৰপতি ভৱনৰ আমন্ত্ৰণ গ্ৰহণ কৰিছে। বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনা ইতিমধ্যে নতুন দিল্লীত উপস্থিত হৈছে।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত কাইলৈ এন ডি এ চৰকাৰৰ শপত গ্ৰহণ কাৰ্যসূচী সন্ধিয়া ৬ বাজি ৪৫ মিনিটৰ পৰা আকাশবাণীয়ে পোনপটীয়াকৈ প্ৰচাৰ কৰিব। এই কাৰ্যসূচী আকাশবাণীৰ এফ এম গোল্ড, ইন্দ্ৰপ্ৰস্থ আৰু অন্য সকলো চেনেলৰ লগতে ইউটিউব চেনেল আকাশবাণী এ আই আৰৰ জৰিয়তে পোনপটীয়াকৈ প্ৰচাৰ কৰা হব। এই অনুষ্ঠানৰ পৰিপ্ৰেক্ষিতত কাইলৈ সন্ধিয়াৰ আঞ্চলিক বাতৰি ৬ বাজি ৪৫ মিনিটৰ পৰিৱৰ্তে ৬ বাজি ৩০ মিনিটত প্ৰচাৰ কৰা হব। আনহাতে, ৭ বাজি ১০ মিনিটৰ অসমীয়া বাতৰি নিশা ৮ বাজি ৩৫ মিনিটত প্ৰচাৰ কৰা হব। অৱশ্যে শপত গ্ৰহণ কাৰ্যসূচী দীঘলীয়া হলে এই কাৰ্যসূচী শেষ হোৱাৰ লগে লগে বাতৰি প্ৰচাৰ কৰা হব।

০০০

আজি নতুন দিল্লীত অনুষ্ঠিত কংগ্ৰেছ দলৰ কাৰ্যকৰী সমিতিৰ এখন গুৰুত্বপূৰ্ণ বৈঠকত দলৰ নেতা ৰাহুল গান্ধীক বিৰোধী দলৰ নেতা হিচাপে সৰ্বসন্মতিক্ৰমে বাছনি কৰা হৈছে। শ্ৰীগান্ধীৰ নেতৃত্বত সংসদত এটা শক্তিশালী আৰু সক্ৰিয় বিৰোধী গঠন হ'ব বুলি কংগ্ৰেছৰ কাৰ্যকৰী সমিতিয়ে আশা প্ৰকাশ কৰে। বৈঠকত কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গে, জ্যেষ্ঠ নেতা ছোনীয়া গান্ধী, ৰাহুল গান্ধী আৰু দলৰ সাধাৰণ সম্পাদক প্ৰিয়ংকা গান্ধী ৰাদ্ৰাকে ধৰি দলীয় নেতাসকল উপস্থিত থাকে। উল্লেখযোগ্য যে শেহতীয়া লোকসভা নিৰ্বাচনত দলৰ প্ৰদৰ্শনক লৈ আলোচনা কৰাৰ বাবে এই বৈঠক আহ্বান কৰা হৈছিল। বৈঠকত দলটোৰ জ্যেষ্ঠ নেতা জয়ৰাম ৰমেশে বিগত লোকসভা নিৰ্বাচনত কংগ্ৰেছকে ধৰি বিৰোধী মিত্ৰজোঁটৰ প্ৰদৰ্শন যথেষ্ট আশাব্যঞ্জক বুলি মন্তব্য কৰে। উত্তৰ-পূৰ্বাঞ্চলত বিশেষকৈ হিংসাজৰ্জৰ মণিপুৰ লগতে নাগালেণ্ড আৰু অসমতো দলটোৰ চমকপ্ৰদ প্ৰদৰ্শনৰ বিষয়ে কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই বৈঠকৰ আৰম্ভণিত উল্লেখ কৰে।

০০০

চিকিৎসা বিজ্ঞানত নামভৰ্তিৰ বাবে ৰাষ্ট্ৰীয় যোগ্যতা তথা প্ৰৱেশ পৰীক্ষা অৰ্থাৎ নীট চলিত বৰ্ষত সম্পূৰ্ণ স্বচ্ছতা বজাই ৰাখি অনুষ্ঠিত কৰাৰ লগতে পৰীক্ষাৰ নীতি নিয়মৰ ক্ষেত্ৰত কোনো ধৰণৰ আপোচ কৰা হোৱা নাছিল বুলি ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থাই প্ৰকাশ কৰিছে। যোৱা ৫ মে'ত অনুষ্ঠিত এই পৰীক্ষাৰ ফলাফল যোৱা ৪ জুনত ঘোষণা কৰা হয়। এই পৰীক্ষাত ৬০০ টা কেন্দ্ৰত অৱতীৰ্ণ এহেজাৰ ৬শ গৰাকী প্ৰাৰ্থীয়ে প্ৰশ্নকাকত বিতৰণৰ সময় ভুল হোৱাৰ পৰিপ্ৰেক্ষিতত উত্তৰ লিখাৰ বাবে সময় নাটনি হোৱা বুলি উত্থাপন কৰা অভিযোগৰ পাছত সংস্থাটোৱে এই বিষয়ে প্ৰকাশ কৰে। সংস্থাটোৱে কয় যে, এই ছাত্ৰ-ছাত্ৰীসকলৰ ক্ষতিপূৰণৰ দিশটো চোৱা চিতা কৰাৰ বাবে এখন উচ্চ ক্ষমতাসম্পন্ন কমিটি গঠন কৰা হৈছে। নতুন দিল্লীত সংবাদ মাধ্যমক সম্বোধন কৰি সংস্থাৰ সঞ্চালক প্ৰধান সুবোধ কুমাৰ সিঙে লগতে কয় যে প্ৰয়োজন সাপেক্ষে আৰু সমিতিৰ পৰামৰ্শ মৰ্মে ফলাফল পুনৰীক্ষণ কৰা হব। অৱশ্যে যি সিদ্ধান্তই লোৱা নহওক কিয় ইয়াৰ দ্বাৰা ২৩ লাখ ছাত্ৰ-ছাত্ৰীৰ লগতে এই এহেজাৰ ৬০০ গৰাকী ছাত্ৰ-ছাত্ৰীৰ কোনো কাৰণতে ক্ষতি নোহোৱাটো নিশ্চিত কৰা হ'ব বুলি তেওঁ জানিবলৈ দিয়ে। তেওঁ লগতে কয় যে, এই ছাত্ৰ-ছাত্ৰীসকলৰ ফলাফল বা নম্বৰৰ পুনৰীক্ষণ কাৰ্যই সমগ্ৰ প্ৰক্ৰিয়াটো প্ৰভাৱিত নকৰে। উল্লেখযোগ্য যে, ৫০

দশমিক ৫-৪ শতাংশৰে উত্তীৰ্ণ হোৱাৰ বিপৰীতে সামগ্ৰিকভাৱে এই পৰীক্ষাৰ এইবাৰৰ কোৱালিফাইং ৰেট ৫৬ শতাংশ আছিল।

০০০

বিদ্যালয়ত শিক্ষক কৰ্মচাৰীৰ সময়ানুৱৰ্তিতা বজাই ৰখাৰ বাবে অসম চৰকাৰৰ বিদ্যালয় শিক্ষা বিভাগে শিক্ষা সেঁতু এপত উপস্থিতি সন্দৰ্ভত নতুন নিৰ্দেশনা জাৰি কৰিছে। বিদ্যালয় শিক্ষা বিভাগৰ সচিব নাৰায়ণ কোঁৱৰে জাৰি কৰা নিৰ্দেশনা অনুসৰি শিক্ষক কৰ্মচাৰীসকলে বিদ্যালয়ত প্ৰৱেশ আৰু প্ৰস্থানৰ সময় শিক্ষা সেঁতু এপত বাধ্যতামূলকভাৱে চিহ্নিত কৰিব লাগিব। তদুপৰি বিদ্যালয়ত প্ৰৱেশত ১৫ মিনিটতকৈ পলম হলে বা নিৰ্ধাৰিত সময়তকৈ আগেয়ে বিদ্যালয়ৰ পৰা প্ৰস্থান কৰিলে আৰু এনে কাৰ্য ২ বাৰতকৈ অধিক হ'লে শিক্ষক কৰ্মচাৰী অৰ্ধদিনৰ আৰ্জিত ছুটি কৰ্তন হ'ব বুলি নিৰ্দেশনাত উল্লেখ কৰা হৈছে। ০০০০

০০০

সামুদ্ৰিক অঞ্চলৰ জৈৱ বৈচিত্ৰ সংৰক্ষণ, প্ৰদূষণ হ্ৰাসৰ লগতে পৃথিৱীৰ উপৰিভাগ বাসোপযোগী কৰি ৰখাৰ লক্ষ্যৰে সজাগতা সৃষ্টিৰ বাবে আজি বিশ্ব সমুদ্ৰ দিৱস উদ্‌যাপন কৰা হৈছে। উল্লেখযোগ্য যে পৃথিৱীৰ উপৰিভাগৰ ৭০ শতাংশ সমুদ্ৰই আৱৰি আছে। সমুদ্ৰৰ পৰা পৃথিৱীৰ ৫০ শতাংশ অম্লজান উৎপন্ন হোৱাৰ লগতে ইয়াত অজস্ৰ জীৱ প্ৰজাতি পোৱা যায়। সামুদ্ৰিক অঞ্চলে পৃথিৱীৰ জৈৱ বৈচিত্ৰৰ ভাৰসাম্য ৰক্ষা কৰাৰ লগতে মানৱ জাতিৰ অস্তিত্বৰ অন্যতম চৰ্ত হিচাপে বিবেচিত হৈ আহিছে। অৱশ্যে বিভিন্ন কাৰ্যকলাপ বিশেষকৈ সভ্যতাৰ বিকাশৰ বাবে মানুহে কৰা কেতবোৰ কাম-কাজৰ বাবে সামুদ্ৰিক অঞ্চল ক্ৰমাৎ প্ৰদূষিত হৈছে। এই প্ৰদূষণ নিয়ন্ত্ৰিত নহলে ক্ৰমান্বয়ে ই পৃথিৱীৰ জীৱ প্ৰজাতিৰ প্ৰতি ভাবুকিৰ সৃষ্টি কৰাৰ আশংকা আছে। এনে দিশৰ প্ৰতি লক্ষ্য ৰাখিয়েই বিশ্বজুৰি ব্যাপক সজাগতা সৃষ্টিৰ বাবে ১৯৯২ চনৰ পৰা প্ৰতিবছৰে ৮ জুনৰ দিনটো বিশ্ব সমুদ্ৰ দিৱস হিচাপে পালন কৰিবলৈ প্ৰস্তাৱ লোৱা হৈছিল। এই অনুসৰি ২০০৮ চনৰ ৫ ডিচেম্বৰত ৰাষ্ট্ৰসংঘৰ সাধাৰণ সভাই ৮ জুনৰ দিনটো বিশ্ব সমুদ্ৰ দিৱস হিচাপে পালনৰ কথা ঘোষণা কৰা হয়। প্ৰতিবছৰে ৰাষ্ট্ৰসংঘৰ সামুদ্ৰিক পৰিক্ৰমা আৰু সামুদ্ৰিক আইন বিভাগে এই উপলক্ষে সজাগতা কাৰ্যসূচী গ্ৰহণ কৰে। সাম্প্ৰতিক বিশ্বই সন্মুখীন হোৱা জলবায়ু পৰিৱৰ্তন আৰু গোলকীয় উষ্ণতা বৃদ্ধিৰ প্ৰত্যাহ্বান ৰোধ কৰিবলৈ হলে সামুদ্ৰিক অঞ্চলৰ গুৰুত্ব উপলব্ধি কৰোৱাব লাগিব। সমুদ্ৰই গোলকীয় উত্তাপ নিয়ন্ত্ৰণ কৰাৰ লগতে বিভিন্ন খাদ্য আৰু ঔষধৰ উৎস হিচাপে বিবেচিত হৈ আহিছে। এইবাৰৰ এই দিৱসত বিষয় হৈছে নতুন গভীৰতা জাগ্ৰত কৰা। আনহাতে, দিৱসৰ বাবে কাৰ্যপন্থা গ্ৰহণৰ মূল বিষয় হৈছে আমাৰ সমুদ্ৰ আৰু জলবায়ু পৰিৱৰ্তন ৰোধ কৰিবলৈ কাৰ্যপন্থা দ্ৰুত কৰি তোলা।

০০০

ৰে'লৰে আৰক্ষীয়ে আজি গুৱাহাটী ৰে'লৰে ষ্টেচনত অভিযান চলাই বুজন পৰিমাণৰ ভাং জব্দ কৰিবলৈ সমৰ্থ হয়। নিউ তিনিচুকীয়া-বেংগালুৰু এক্সপ্ৰেছত চলোৱা তালাচীত ৰে'লৰে আৰক্ষীয়ে প্ৰায় ৪৪ কিলোগ্ৰাম ভাং জব্দ কৰে। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে কেৰালাৰ দুজন ব্যক্তিক গ্ৰেপ্তাৰ কৰিছে। আৰক্ষীৰ সূত্ৰ অনুযায়ী লোকদুজনে নিচাযুক্ত দ্ৰব্যখিনি গুৱাহাটীৰ পৰা বেংগালুৰুলৈ নিয়াৰ প্ৰচেষ্টা চলাইছিল।

ইফালে কাৰ্বি আংলং জিলাতো জিলা আৰক্ষীয়ে অভিযান চলাই লাহৰিজানত এখন বাহনৰ পৰা ৮৪৫ গ্ৰামৰো অধিক হেৰ'ইন জব্দ কৰাৰ লগতে দুজন লোকক গ্ৰেপ্তাৰ কৰিছে। গোপন সূত্ৰ পম খেদি চলোৱা অভিযানত আৰক্ষীয়ে বাহনখনৰ গোপন চেম্বাৰত লুকুৱাই অনা হেৰ'ইনখিনি জব্দ কৰিবলৈ সমৰ্থ

হয়। জব্দকৃত হেৰ'ইনখিনি মণিপুৰৰ পৰা গুৱাহাটীলৈ আনিবলৈ প্ৰচেষ্টা চলোৱা হৈছিল। আন্তঃৰাষ্ট্ৰীয় বজাত ইয়াৰ মূল্য প্ৰায় ২ কোটি টকা বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰিছে।

মৰিগাঁৱতো মৰিগাঁও আৰক্ষীয়ে চলোৱা বিশেষ অভিযানত বৰামাৰাৰ পৰা নিচাযুক্ত দ্ৰব্যসহ দুটা সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰা হয়। সৰবৰাহকাৰী দুটাই ২২টাকৈ মাদক দ্ৰব্য ভৰ্তি কণ্টেইনাৰ কাপোৰৰ বেগৰ মাজত ভৰাই গুৱাহাটীলৈ সৰবৰাহ কৰাৰ চেষ্টা চলাইছিল।

তিনিচুকীয়াতো কাকপথাৰ-ডিৰাক আমগুৰিত চলোৱা অভিযানত আৰক্ষীয়ে হেৰ'ইনসহ এটা সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰিবলৈ সমৰ্থ হয়। আৰক্ষীয়ে সৰবৰাহকাৰীটোৰ পৰা বুজন পৰিমাণৰ হেৰ'ইন জব্দ কৰিবলৈ সমৰ্থ হৈছে।

ইফালে গোলাঘাটতো এৰেঙাপাৰাত আৰক্ষীয়ে নিচাযুক্ত দ্ৰব্যসহ ৪টা সৰবৰাহকাৰীক গ্ৰেপ্তাৰ কৰে।

০০০

আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে যোগ সাধনাৰ ইতিবাচক দিশ সন্দৰ্ভত ৰাইজৰ মাজত সজাগতা বৃদ্ধিৰ বাবে কেতবোৰ বিশেষ কাৰ্যসূচীৰ প্ৰস্তুতি চলাইছে। কালি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ সচিব সঞ্জয় জাজু আৰু আয়ুস বৈদ্য ৰাজেশ কোটেশাই এই বছৰৰ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ লগত সংগতি ৰাখি প্ৰস্তুত কৰা কাৰ্যসূচীসমূহ পৰ্যবেক্ষণ কৰে। আন্তঃৰাষ্ট্ৰীয় যোগ দিৱসৰ লগত সংগতি ৰাখি আকাশবাণী আৰু দূৰদৰ্শনে যোগ বিশেষজ্ঞৰ সাক্ষাৎকাৰ আৰু কেতবোৰ প্ৰাতঃ অনুষ্ঠানৰ পোনপটীয়া প্ৰচাৰ কৰা হ'ব।

০০০

ডিব্ৰুগড় জিলাৰ আয়ুক্তৰ নিৰ্দেশমৰ্মে খাদ্য আৰু অসামৰিক যোগান বিভাগৰ এটা অভিযানকাৰী দলে লাহোৱাল আৰক্ষীৰ সহযোগত চলোৱা এটা অভিযানত অবৈধভাৱে মজুত ৰখা ৫০টা খালী চিলিণ্ডাৰ জব্দ কৰে। অভিযুক্ত ৰবীন্দ্ৰ গুপ্তাৰ ঘৰৰ পৰা জব্দ কৰা চিলিণ্ডাৰ কেইটাৰ ৪৪টা ঘৰুৱা ব্যৱহাৰ উপযোগী চিলিণ্ডাৰ হোৱাৰ বিপৰীতে ৬টা বাণিজ্যিক চিলিণ্ডাৰ। শ্ৰীগুপ্তাই অভিযানকাৰী দলটোক এল পি জি ব্যৱহাৰ সংক্ৰান্তিয় প্ৰাসংগিক নথি দাখিল কৰাত ব্যৰ্থ হয়। তেওঁ লগতে বিগত কেইবছৰমানৰ পৰা অবৈধ চিলিণ্ডাৰৰ সৈতে জড়িত হৈ থকাৰ কথা আৰক্ষীৰ আগত লিখিতভাৱে স্বীকাৰ কৰে। ইয়াৰ ভিত্তিত লাহোৱাল আৰক্ষীয়ে পৰৱৰ্তী অনুসন্ধানৰ বাবে ৰবীন্দ্ৰ গুপ্তাক আটক কৰে।

০০০

বৰপেটা জিলাৰ হাউলীৰ ৰাষ্ট্ৰীয় ঘাইপথত দীৰ্ঘদিনৰ পৰা সক্ৰিয় হৈ থকা তেল চোৰৰ চক্ৰ এটাৰ এজন সদস্যক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিবলৈ সমৰ্থ হ'ল। টেংকাৰৰ পৰা তেল চুৰি কৰি থকা অৱস্থাতে হাতে-লোটে ধৰা পৰা লোকজনৰ লগতে আৰক্ষীয়ে টেংকাৰখনৰ চালক আৰু সহকাৰীজনকো গ্ৰেপ্তাৰ কৰে। অৱশ্যে ঘটনাস্থলীৰ পৰা অন্য এজন অভিযুক্ত পলায়ন কৰিবলৈ সমৰ্থ হয়। আৰক্ষীয়ে ধৃত চোৰজনৰ বাসগৃহৰ পৰা বুজন পৰিমাণৰ চোৰাং তেলৰ লগতে এখন চাৰিচকীয়া বাহনো জব্দ কৰে।

০০০

ধেমাজী জিলাত এনকেফেলাইটিছ, ডেংগী আৰু মেলেৰীয়া ৰোগৰ সংক্ৰমন প্ৰতিৰোধৰ বাবে জিলাখনৰ স্বাস্থ্য বিভাগে কাৰ্যকৰী ব্যৱস্থা গ্ৰহণ কৰিছে। প্ৰতিবছৰে বাৰিষাৰ সময়ছোৱাত বৃদ্ধি পোৱা এই ৰোগৰ ফলত জিলাখনত কেইবাজনো লোকে প্ৰাণ হেৰুৱাবলগীয়া পৰিস্থিতি ৰোধ কৰাৰ বাবে স্বাস্থ্য বিভাগে এই ব্যৱস্থা লৈছে। ধেমাজী জিলাৰ যুঁটীয়া স্বাস্থ্য সেৱা সঞ্চালকৰ কাৰ্যালয়ৰ জিলা মেলেৰীয়া নিয়ন্ত্ৰণ বিভাগৰ

মুৰব্বী ডাঃ কিশোৰ কামানে প্ৰকাশ কৰা মতে, এইবাৰ এনে ধৰণৰ ৰোগসমূহ নিয়ন্ত্ৰণৰ বাবে ব্যাপক সজাগতা সৃষ্টি কৰাৰ লগতে ৰোগৰ প্ৰাদুৰ্ভাৱ অধিক হোৱা অঞ্চলসমূহত তীক্ষ্ণ দৃষ্টি ৰখা হৈছে। তদুপৰি ৫ জুনত মেলেৰীয়া মাহৰ শুভাৰম্ভ কৰি মেলেৰীয়া নিৰ্মুলৰ বাবে পদক্ষেপ লোৱা হৈছে। জিলাখনৰ স্বাস্থ্য বিভাগে দিয়া তথ্য অনুসৰি চলিত বছৰৰ এক জানুৱাৰীৰ পৰা এতিয়ালৈ ধেমাজিত এজন আৰু গোগামুখত ৪ জন মেলেৰীয়াত আক্ৰান্ত ৰোগী ধৰা পৰিছে। আনহাতে, জোনাইত ৪ জন, চিচিবৰগাওঁত ৬ জন, ধেমাজী আৰু গোগামুখত এজনকৈ মুঠ ১২ জন এনকেফেলাইটিছত আক্ৰান্ত ৰোগী চিনাক্ত হৈছে আৰু ইয়াৰে এজন ৰোগীৰ মৃত্যু হৈছে। জিলাখনত এতিয়ালৈ ৪০১ টা সজাগতা কাৰ্যসূচী অনুষ্ঠিত কৰা হৈছে বুলি জানিবলৈ দিছে। তদুপৰি ২৮ হাজাৰৰো অধিক আঠুৱা ঔষধিকৰণ কৰি বিতৰণ কৰা হৈছে। ৰোগৰ প্ৰাদুৰ্ভাৱ হোৱা অঞ্চলসমূহত স্বাস্থ্য বিভাগে ধোৱা দিয়া কাম অব্যাহত ৰাখিছে। একেদৰে জনসাধাৰণক মহৰ উৎপত্তি হোৱা স্থানসমূহ পৰিস্কাৰ কৰি ৰখাৰ উপৰি আঠুৱা ব্যৱহাৰ কৰিবলৈ আৰু পানী জমা নোহোৱাকৈ ৰাখিবলৈ আহ্বান জনাইছে।

000

ডিব্ৰুগড় জিলাৰ আয়ুক্তই আজি জিলাখনৰ খ্ৰীষ্টধৰ্মীসকলৰ কাৰণে নিৰ্দিষ্ট সমাধিস্থলীত উপস্থিত হৈ সমাধিক্ষেত্ৰত চলি থকা উন্নয়নমূলক কাম-কাজৰ অগ্ৰগতি সন্দৰ্ভত এখন পৰ্যালোচনা সভাত অংশগ্ৰহণ কৰে। উল্লেখযোগ্য যে খ্ৰীষ্টধৰ্মীসকলৰ সমাধিস্থলীৰ উন্নয়নৰ কাৰণে গঠন কৰা উপদেষ্টা সমিতিৰ সৈতে মে' মাহত অনুষ্ঠিত হোৱা আলোচনাৰ সিদ্ধান্তমৰ্মে আজি এই পৰ্যালোচনা সভাখন আহ্বান কৰা হয়। সভাত জিলা পৰিষদ, লোকনিৰ্মাণ বিভাগৰ বিভিন্ন বিষয়ববীয়া আৰু জিলা উন্নয়ন আয়ুক্তকে ধৰি অভিযন্তা তথা কাৰ্যকৰী সদস্যসকল উপস্থিত থাকে। উল্লেখযোগ্য যে অসম চৰকাৰৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগৰ অধীনত নগৰ আন্তঃগাঁথনি উন্নয়ন পুঁজিৰ দ্বাৰা ৪ বিঘাতকৈ অধিক ভূমিজোৰা এই সমাধিস্থলীৰ উন্নয়নৰ কাম-কাজ লোক নিৰ্মাণ বিভাগৰ ডিব্ৰুগড় সংমণ্ডলৰ তত্বাৱধানত চলি আছে।

000

তিনিচুকীয়া জিলাৰ টেঙাখাতত চাহ বাগিচা পৰিচালনাৰ সৈতে জড়িত ব্লক পৰ্যায়ৰ এখন পৰামৰ্শমূলক বৈঠক অনুষ্ঠিত হয়। বৈঠকত বিভিন্ন চাহ বাগিচাৰ প্ৰতিনিধিৰ লগতে স্বাস্থ্য-লোক নিৰ্মাণ বিভাগৰ দৰে বিভিন্ন চৰকাৰী বিভাগসমূহৰ বিষয়ববীয়া উপস্থিত থাকে। বৈঠকত চাহ বাগিচাসমূহৰ ২০২৩-২৪ বৰ্ষৰ সামগ্ৰিক স্বাস্থ্য পৰিস্থিতি পৰিচালনা সমিতিৰ আগত দাঙি ধৰা হয়। লগতে পৰৱৰ্তী বছৰত উন্নত ফলাফলৰ বাবে পৰিস্থিতি উন্নীতকৰণৰ বিষয়েও আলোচনা কৰা হয়। মজুৰী ক্ষতিপূৰ্ণ আঁচনি, পানী আৰু ভেক্টৰ ৰোগৰ বিস্তাৰ, স্বাস্থ্য কেন্দ্ৰৰ ভূমিকা, চিকিৎসালয় পৰিচালনা সমিতিৰ সক্ৰিয়কৰণ ইত্যাদি বিষয়তো বৈঠকত আলোচনা কৰা হয়।

000

সংস্কৃতি সংৰক্ষণ আৰু বিকাশ কেন্দ্ৰ অসমৰ উদ্যোগত তথা সংস্কৃত ভাৰতী দৰঙৰ সহযোগত মঙলদৈৰ সনাতন ধৰ্মসভা প্ৰাঙ্গনত আজি **প্ৰজ্ঞাৰ অন্বেষণ** শীৰ্ষক অসম ভিত্তিক কুইজ প্ৰতিযোগিতা আৰু গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। এই অনুষ্ঠানত গৌতম শৰ্মাই সংকলন কৰা **কুইজৰ পৃথিৱীত এভূমুকি** শীৰ্ষক গ্ৰন্থখন উন্মোচন কৰা হয়। অনুষ্ঠানত মঙলদৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° কমলাকান্ত বৰা, প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাসৰ লগতে কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

000

আমেৰিকা আৰু ৱেষ্ট ইণ্ডিজে যুটীয়াভাৱে আয়োজন কৰা টি-২০ বিশ্বকাপৰ আজিৰ ৪খন খেলৰ দুখন খেল ইতিমধ্যে অনুষ্ঠিত হৈছে। গায়ানাত অনুষ্ঠিত প্ৰথমখন খেলত আফগানিস্তানে নিউজিলেণ্ডক ৮৪ ৰানত পৰাস্ত কৰে। প্ৰথমে বেট ধৰি আফগানিস্তানে নিৰ্ধাৰিত ২০ অভাৰত ৬টা উইকেট হেৰুৱাই ১৫৯ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত নিৰ্ধাৰিত লক্ষ্য অনুসৰণ কৰি নিউজিলেণ্ডে ১৫ অভাৰ ২টা বলত আটাইকেইটা উইকেট হেৰুৱাই কেৱল ৭৫ ৰানহে কৰিবলৈ সক্ষম হয়। আফগানিস্তানৰ হৈ ফজলহক ফাৰুকী আৰু ৰছিদ খানে ৪টাকৈ উইকেট দখল কৰে।

প্ৰতিযোগিতাত টেক্সাছত আন এখন খেলত বাংলাদেশে শ্ৰীলংকাৰ বিৰুদ্ধে ২টা উইকেটত জয়লাভ কৰে। প্ৰথমে বেট ধৰি শ্ৰীলংকাই নিৰ্ধাৰিত ২০ অভাৰত ৯ উইকেট হেৰুৱাই ১২৪ ৰান কৰিবলৈ সমৰ্থ হয়। ১২৫ ৰানৰ বিজয় লক্ষ্য অনুসৰণ কৰি বাংলাদেশে ১৯ অভাৰত ৮টা উইকেট হেৰুৱাই জয়লাভ কৰে।

প্ৰতিযোগিতাৰ অন্য দুখন খেলত অষ্ট্ৰেলিয়া ইংলেণ্ডৰ বিৰুদ্ধে আৰু নেডাৰলেণ্ডছ দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। নেডাৰলেণ্ডছ দক্ষিণ আফ্ৰিকাৰ মাজৰ খেলখন নিশা ৮ বজাৰ পৰা আৰম্ভ হোৱাৰ বিপৰীতে অষ্ট্ৰেলিয়া নিশা চাৰে ১০ বজাত ইংলেণ্ডৰ মুখামুখি হ'ব। আনহাতে কাইলৈ বহু প্ৰত্যাশিত এখন খেলত ভাৰত পাকিস্তানৰে মুখামুখি হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি নিশা ৮ বজাত আৰম্ভ হ'ব।

০০০

ঃঃ সমাপ্ত ঃঃ